কৃষক ৰাইজলৈ গোহাৰি

আমাৰ এই 'ঘৰে - পথাৰে' পত্ৰিকাখনিৰ ই-সংস্কৰণ মুকলি কৰা হৈছে। গতিকে কৃষক ৰাইজে আমাৰ ৱেব চাইট www.aau.ac.in লগ অন কৰি 'ঘৰে-পথাৰেৰ' ই-সংস্কৰণৰ সুবিধা গ্ৰহণ কৰিব পাৰিব।

মুখ্য সম্পাদক
'ঘৰে-পথাৰে'
সম্প্ৰসাৰণ শিক্ষা সঞ্চালকালয়
অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট

ঘৰে-পথাৰে

পষেকীয়া কৃষি পত্ৰিকা

অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট

এই সংখ্যাত আছে -

বিষয়	পৃষ্ঠা
☐ বৰোধানৰ খেতিৰ প্ৰস্তুতি ..	২
☐ আঘোণ-পুহ মাহৰ সম্ভাব্য ..	২
☐ আমাৰ একাষাৰ	৩
☐ মাহটোৰ কৃষিকৰ্ম	৩
☐ উদ্যান শস্য	৩
☐ শীতকালীন শাক-পাচলিৰ ...	৪

☐ ৪৩ তম্ বছৰ ☐ সংখ্যা ২৩ ☐ ১ ডিচেম্বৰ ২০২২ ☐ ১৬ - ৩০ আঘোণ, ১৯৪৪ শক ☐ মূল্য - ১.০০ টকা GHARE - PATHARE PMG - 19 of 2005 - 06

অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত

তিতাবৰৰ আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ শতবৰ্ষ উদ্‌যাপনৰ শুভাৰম্ভণি

যোৱা ২৬ নৱেম্বৰ তাৰিখে অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত তিতাবৰ আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ শতবৰ্ষ উদ্‌যাপনৰ শুভাৰম্ভণি অনুষ্ঠান সম্পন্ন হৈ যায়। এশ বছৰীয়া এটা দীঘলীয়া পৰিক্ৰমা। আহোম ৰাজত্বৰ কালৰে পৰাই ধানৰ বাবে বিখ্যাত তিতাবৰৰ বছা পথাৰত ১৯২৩ চনতে ব্ৰিটিছ শাসনকালত প্ৰতিষ্ঠা লাভ কৰিছিল তিতাবৰ ধান গৱেষণা কেন্দ্ৰই। পৰৱৰ্তী সময়ত অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্ভূক্ত হোৱা অনুষ্ঠানটো আঞ্চলিক কৃষি গৱেষণাগাৰ ৰূপে অসমৰ কৃষক সমাজৰ মাজত পৰিচিতি লাভ কৰিছিল। এশ বছৰীয়া সুদীৰ্ঘ বৰ্ণিল পৰিক্ৰমাত এই কেন্দ্ৰটোৰ পৰা উদ্ভাৱিত ৰঞ্জিত ধানৰ সঁচে অসমৰ কৃষি ক্ষেত্ৰখনত বৈপ্লৱিক পৰিবৰ্তন অনাই নহয়, অসমৰ খেতিয়কৰ অৰ্থনৈতিক পৰিৱৰ্তনতো সুদূৰপ্ৰসাৰী পৰিৱৰ্তন সম্ভৱ কৰি তুলিছিল। সেই হিচাপত শতবৰ্ষত ভৰি দিয়াৰ প্ৰাক্‌মুহূৰ্তত কেন্দ্ৰটোত ব্যাপক উছাহ উদ্দীপনাৰে শতবৰ্ষৰ উদ্‌যাপন অনুষ্ঠান অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত অসম চৰকাৰৰ কৃষিমন্ত্ৰী অতুল বৰাই মুখ্য অতিথিৰূপে উপস্থিত থাকি অত্যাধুনিক ধানৰ মিউজিয়াম আৰু কৃষক প্ৰশিক্ষণ কেন্দ্ৰ এটাৰ আধাৰশিলা স্থাপন কৰি কেন্দ্ৰটোৰ বিজ্ঞানীসকলক ভূয়সী প্ৰশংসা কৰে। মন্ত্ৰীগৰাকীয়ে ভাষণত কয় যে ১৯২৩ চনতে যোৰহাটৰ তিতাবৰত স্থাপন কৰা অসমৰ অন্যতম পুৰণি আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰটোৱে শতবৰ্ষ গৰকিলে। অসমৰ কৃষি গৱেষণা ক্ষেত্ৰখনলৈ অনবদ্য অৱদান আগবঢ়াই অহা এই কৃষি গৱেষণা কেন্দ্ৰটোৰ প্ৰতিষ্ঠাৰ শতবৰ্ষ উদ্‌যাপনৰ শুভউদ্বোধনী অনুষ্ঠানত অংশ গ্ৰহণ কৰি অত্যন্ত আনন্দিত হৈছো। লগতে গৱেষণা কেন্দ্ৰটোৰ চৌহদত কেন্দ্ৰটোৱে ৰোপণ

(৪ পৃষ্ঠাৰ ১ কলমত চাওক)

তিতাবৰ আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ শতবৰ্ষ উদ্‌যাপনৰ শুভাৰম্ভণি অনুষ্ঠানৰ অংশ হিচাবে কেন্দ্ৰটোৱে ৰোপণ কৰা উন্নত জাতৰ ধানৰ সোণোৱালী পথাৰ পৰিদৰ্শন কৰা অৱস্থাত কৃষিমন্ত্ৰী অতুল বৰা, অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকা, সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠক প্ৰমুখ্যে অন্যান্যসকল

অসম কৃষি বিশ্ববিদ্যালয়ত

সংবিধান দিৱস উদ্‌যাপন

সংবিধান হৈছে দেশৰ সৰ্বোচ্চ নিয়ম। যদি সংবিধানৰ কোনো অনুচ্ছেদ লৈ আমাৰ খোকোজা লাগে, তেতিয়া আমি সংবিধানৰ প্ৰস্তাৱনালৈ চাওঁ। এইপ্ৰস্তাৱনাই আমাক বাট দেখুৱাই দিব। যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত যোৱা ২৭ নৱেম্বৰ তাৰিখে সংবিধান দিৱসৰ কাৰ্যসূচীৰ মূল বক্তব্যত এই মত বক্ত কৰে বিশিষ্ট লেখক তথা জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মূৰব্বী অধ্যাপক ড° বলীন হাজৰিকাই। "ভাৰতবৰ্ষ গণতন্ত্ৰৰ মাতৃ" শীৰ্ষক বিষয়ত দৃশ্য শ্ৰাব্য মাধ্যমেৰে বক্তব্য আগবঢ়াই লগতে কয় যে দেশৰ সংবিধানখন সৰ্বসাধৰণ ৰাইজৰ বোধগম্য হোৱাকৈ বুজাই দিয়াটো সমাজৰ শিক্ষিত শ্ৰেণীটোৰ কৰ্তব্য। সংবিধানৰ বিষয়ে অজ্ঞতা কাৰো বাবে অজুহাত হ'ব নোৱাৰে। বিশ্ববিদ্যালয়ৰ অধিবিদ্যা ভৱনত অনুষ্ঠিত এই বিশেষ বক্তৃতানুষ্ঠানটোত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক তপন কুমাৰ গোহাই, কৃষি বিজ্ঞান গুৰু ড° জয়ন্ত ডেকা আৰু স্নাতকোত্তৰ শিক্ষা সঞ্চালক ড° অনুপ কুমাৰ দাসে ভাৰতীয় সংবিধানৰ মহত্ব আৰু সংবিধান দিৱসৰ তাৎপৰ্যৰ বিষয়ে বক্তব্য প্ৰদান কৰে। সমবেত শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক কৃষি বিজ্ঞান গুৰু ড° জয়ন্ত ডেকাই সংবিধানৰ প্ৰস্তাৱনা অংশ শপত বাক্য ৰূপে পাঠ কৰায়। ড° বিপুল ডেকাই আঁত ধৰা সভাখনৰ শলাগৰ শৰাই আগবঢ়ায় ড° অঞ্জন কৃষ্ণ শমাই।

ডিব্ৰুগড় কৃষি বিজ্ঞান কেন্দ্ৰৰ উদগনিমূলক পদক্ষেপ

খোৱাঙত প্ৰদৰ্শনীমূলক তিলৰ খেতি

খোৱাং উন্নয়ন খণ্ডৰ ভৰালী গাঁৱত ডিব্ৰুগড় কৃষি বিজ্ঞান কেন্দ্ৰৰ দ্বাৰা ১৫০ বিঘা মাটিত অসম কৃষি বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুমোদিত উন্নত প্ৰজাতিৰ তিল 'চম্পাৱতী'ৰ প্ৰদৰ্শনমূলক খেতিৰ সফল সমাপন কৰে। কৃষি প্ৰযুক্তি প্ৰয়োগ আৰু গৱেষণা প্ৰতিষ্ঠান, গুৱাহাটী কাৰ্যালয়ৰ অৰ্থসাহয্যত এই খেতিৰ বাবে কৃষক ৰাইজক বিনামূলীয়াকৈ বীজ সঠিক সময়ত যোগান ধৰা হৈছিল। কেন্দ্ৰটোৰ দ্বাৰা সঠিক সময়ত প্ৰশিক্ষণ আৰু দিহা-পৰামৰ্শ দিয়া হৈছিল। সমগ্ৰ প্ৰগ্ৰেমটো কেন্দ্ৰটোৰ মূৰব্বী ড° দিগন্ত শৰ্মাই সমবেত কৃষকক উন্নত পদ্ধতিৰে খেতি কৰি অৰ্থনীতি সবল কৰিবলৈ আহ্বান জনোৱাৰ লগতে কেন্দ্ৰটোৰ পৰা সঠিক সময়ত সা-সুবিধা গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিবলৈ অনুৰোধ জনায়। অনুষ্ঠানত উপস্থিত থাকি কৃষি অৰ্থনীতি বিশেষজ্ঞ গৰাকীয়ে কয় যে তিল খেতি উপকাৰী আৰু অৰ্থকৰী খেতি। কাৰণ তিলৰ বৰ্তমান বজাৰ মূল্য ভাল আৰু ইয়াৰ এখন ভাল আন্তঃৰাষ্ট্ৰীয় বজাৰ আছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ উন্নত জাত 'চম্পাৱতী' তিল অতি উপযোগী। ইয়াৰ গড়

(৪ পৃষ্ঠাৰ ৩ কলমত চাওক)

অসম কৃষি বিশ্ববিদ্যালয়ত

সৰ্বভাৰতীয় উদ্ভিদ ৰোগ বিজ্ঞান সমাজৰ দুদিনীয়া উত্তৰ-পূব মাণ্ডলিক সন্মিলন সম্পন্ন

অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্ভিদ ৰোগ বিজ্ঞন বিভাগৰ উদ্যোগত ভাৰতীয় উদ্ভিদ ৰোগগত সমাজ নতুন দিল্লীৰ উত্তৰ-পূব মাণ্ডলিক শাখাৰ বাৰ্ষিক সন্মিলন আৰু দুদিনীয়া ৰাষ্ট্ৰীয় আলোচনা চক্ৰ আৰু সন্মিলন ২৪ আৰু ২৫ নৱেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে অসম কৃষি বিশ্ববিদ্যালয়ত অনুষ্ঠিত হৈ যায়। সন্মিলনত অসমৰ লগতে ভাৰতৰ বিভিন্ন প্ৰতিষ্ঠানৰ পৰা মুঠ ১১০ গৰাকী কৃষি গৱেষক আৰু বিজ্ঞানীয়ে অংশগ্ৰহণ কৰে। সন্মিলনৰ কৰ্মশালাখনৰ ছটা কাৰিকৰী শাখাত জৈৱিক আৰু প্ৰাকৃতিক কৃষিত ৰোগ ব্যৱস্থাপনা, উদ্ভিদ ৰোগ বিজ্ঞানত সংহত উদ্ভিদ ৰোগ ব্যৱস্থাপনা আৰু প্ৰযুক্তিৰ বিভাজন, জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ, উদীয়মান আৰু পুনৰ উদীয়মান ৰোগ, মহামাৰী বিজ্ঞান আৰু উদ্ভিদ ৰোগ ব্যৱস্থাপনাৰ পূৰ্ব সতৰ্কবাণী, উদ্ভিদ ৰোগ নিৰ্ণয়আৰু ব্যৱস্থানাৰ বাবে ৰোগ আৰু পাৰম্পৰিক ক্ৰিয়া, নেনো আৰু জৈৱ প্ৰযুক্তিগত পদ্ধতি, ভেঁকুৰ চিনাক্তকৰণ আৰু জৈৱ-অন্বেষণৰ প্ৰযুক্তিগত অগ্ৰগতি আৰু উদ্ভিদৰ ৰোগ, বন ৰোগ বিজ্ঞান আৰু পোক-পৰুৱা আদি উদ্ভিদ ৰোগ বিজ্ঞানৰ ক্ষেত্ৰত বিশিষ্ট গৱেষকসকলৰ ১৬ টা মূল বিষয়ত বৃক্ততা প্ৰদান কৰা হয়। সন্মিলনৰ আয়োজক সমিতিৰ সম্পাদক তথা জ্যেষ্ঠ বিজ্ঞানী ড° পপি বৰাই আঁত ধৰা সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়াই উদ্ভিদ ৰোগ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা আয়োজক সমিতিৰ অধ্যক্ষ ড° পলাশ দেৱ নাথে ভাষণ প্ৰসংগত কয় যে এইকৰ্মশালাৰ জৰিয়তে যুৱ গৱেষকসকলে উদ্ভিদ ৰোগ বিজ্ঞানৰ ক্ষেত্ৰখনৰ জ্যেষ্ঠ গৱেষকসকলৰ

(৪ পৃষ্ঠাৰ ১ কলমত চাওক)

কৃষকৰ আয় বৃদ্ধিৰ বাবে লখিমপুৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ পদক্ষেপ

লখিমপুৰৰ কৃষি বিজ্ঞান কেন্দ্ৰই সাম্প্ৰতিক সময়ত নন উৎপাদনেৰে কৃষকৰ কাষ চপা পৰিলক্ষিত হৈছে। লখিমপুৰৰ কৃষি বিজ্ঞান কেন্দ্ৰই এতিয়া বিভিন্ন উন্নত জাতৰ কৃষি সামগ্ৰী উৎপাদনেৰে ৰাইজক উপকাৰ সাধন কৰি আহিছে। তদুপৰি কেন্দ্ৰটোত এতিয়া পদুমনি নামৰ এবিধ উন্নত জাতৰ ধান উৎপাদন কৰাৰ পিছত এই ধানৰ পৰা তৈয়াৰ কৰা সুগন্ধিযুক্ত চিৰাই সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। এই চিৰাৰ জৰিয়তে কৃষকে আত্মনিৰ্ভৰশীল হোৱাৰ যথেষ্ট সম্ভাৱনা আছে। আনহাতে, কেন্দ্ৰটোৱে এতিয়া বানপানী সহনশীল ৰঞ্জিত চাব্‌-১, বাহাদুৰ চাব-১ নামৰ দুবিধ উন্নত জাতৰ ধান উৎপাদন কৰিবলৈ সক্ষম হৈছে। কেন্দ্ৰটোৰ ফাৰ্ম মেনেজাৰ বিশ্বজিৎ কোঁৱৰে জানিবলৈ দিয়া অনুসৰি এইদুয়োবিধ ধান সঁজাল ধৰাৰ

(৪ পৃষ্ঠাৰ ২ কলমত চাওক)

বৰোধানৰ খেতিৰ প্ৰস্তুতি

ধানৰ খেতি অসমৰ প্ৰধান খেতি। ধানৰ খেতি কৰিয়েই অসমৰ ৭০ শতাংশ মানুহ কৃষিৰ লগত জড়িত হৈ আছে। ধান খেতি বুলিলে আহু ধান, শালি ধান আৰু বৰো ধানৰ খেতিকে বুজা যায়। কাতি-আঘোণ মাহত আৰম্ভ কৰি বহাগ-জেঠ মাহত চপোৱা ধান খেতিয়েই হৈছে বৰো ধানৰ খেতি। অসমত বৰো ধানৰ খেতি মূলতঃ নগাওঁ, মৰিগাওঁ, কামৰূপ, নলবাৰী, বৰপেটা, বঙাইগাওঁ, ধুবুৰী, গোৱালপাৰা, কোকৰাঝাৰ আদি জিলাত বেছিকৈ কৰা হয়। বানপানীয়ে শালি ধানৰ খেতি অনিষ্ট কৰা অঞ্চলসমূহ আৰু বানপানীৰ বাবে শালি ধানৰ খেতি কৰিব নোৱাৰা (নিশ্চিতভাৱে বানপানীৰ কবলত পৰা) অঞ্চলৰ কৃষক ৰাইজে শালি ধানৰ বিকল্প হিচাপে বৰো ধানৰ খেতি কৰি জীৱন নিৰ্বাহ কৰে। বৰো ধানৰ গড় উৎপাদন আহু আৰু শালি ধানতকৈ যথেষ্ট বেছি। উৎপাদন বেছি হোৱাৰ মূল কাৰণ হৈছে বৰো খেতিৰ সময়ছোৱাত পোক-পৰুৱা, বেমাৰ-আজাৰৰ আক্ৰমণ কম। এই সময়ত আকাশ ফৰকাল হৈ থাকে বাবে গছে আহাৰ তৈয়াৰ কৰিবৰ বাবে যথেষ্ট পৰিমাণে সূৰ্য্যৰ ৰশ্মি আহৰণ কৰে।

মাটি নিৰ্বাচন ঃ আগতে বৰো ধানৰ খেতি বিল, পিটনি, দলনি মাটিত কৰিছিল যদিও দ' মাটি বা জলসিঞ্চনৰ সুবিধা থকা শালি খেতিৰ মাটিতো বৰো ধানৰ খেতি কৰিব পাৰি। শালি ধানৰ খেতি কৰা মাটিত বৰো ধানৰ খেতি কৰিবলৈ হ'লে জলসিঞ্চনৰ সুবিধা থাকিবই লাগিব।

জাত নিৰ্বাচন ঃ বৰো ধানৰ খেতি কৰিবলৈ লওঁতে কৃষক ৰাইজে অধিক উৎপাদনক্ষম বৰো ধানৰ জাত বাচি ল'ব লাগে। বৰো ধানৰ জাতসমূহ ঠাণ্ডা সহ্য কৰিব পৰা, কম দিনতে চপাব পৰা, সাৰ আহৰণ কৰিব পৰা, পোক-পৰুৱা তথা বেমাৰ-আজাৰ প্ৰতিৰোধী গুণসম্পন্ন হ'ব লাগে। অসম কৃষি বিশ্ববিদ্যালয়ে অসমৰ কৃষক ৰাইজৰ বাবে অনুমোদন জনোৱা বৰো ধানৰ জাতসমূহ হ'ল - জয়মতী, কনকলতা দীননাথ, স্বৰ্ণাভ, বৰো-১, বৰো-২।

কঠীয়াতলি প্ৰস্তুতি ঃ বৰো ধানৰ পৰা অধিক উৎপাদন আশা কৰিবলৈ হ'লে সুস্থ, সবল আৰু নিৰোগী কঠীয়া উৎপাদনত অধিক গুৰুত্ব দিব লাগিব। ডাকৰ বচনত কোৱা আছে -'বাই গুণে ভিনিহি, কঠীয়া গুণে কৰিষি।' বৰো ধানৰ কঠীয়া সিঁচিব খোজা মাটিডৰা ভালদৰে হাল বাই মৈয়াই সমান কৰি ল'ব লাগে। মাটিডৰা ভালদৰে বোকা আৰু কাচ পিঠিয়া হোৱাৰ পিছত ৪ ফুট বহল আৰু ৩০ ফুট দৈৰ্ঘ্যৰ একো একোখন চিতা বা তলি বনাই দিব লাগে। প্ৰতিখন চিতাৰ মাজত এক ফুট ব্যৱধান ৰাখিব লাগে। এনে কৰিলে কঠীয়াতলিৰ মাজলৈ সোমাই গৈ তলিখন পৰিদৰ্শন কৰি কিবা পোক-পৰুৱা বা বেমাৰৰ আক্ৰমণ হৈছে নেকি চাব পৰা যায় আৰু নিৰাময়ৰ ব্যৱস্থা কৰিব পৰা যায়। প্ৰতিখন কঠীয়াতলিত ২০-৩০ কিঃগ্ৰাঃ শুকান গোবৰ বা পচন সাৰ, ৮০ গ্ৰাম ইউৰীয়া, ৮০ গ্ৰাম একক চুপাৰ ফচফেট আৰু ৪০ গ্ৰাম মিউৰেট অৱ পটাছ সাৰ প্ৰয়োগ কৰিব লাগে। এনে জোখৰ একোখন কঠীয়াতলিত ৬৫০ গ্ৰামৰ পৰা ১ কিঃগ্ৰাঃ গজালি মেলা বীজ সিঁচিব পৰা যায়। এবিঘা মাটি ৰুৱৰ বাবে ৮-৯ খন এনে কঠীয়াতলি প্ৰয়োজন হয়।

মূল পথাৰ প্ৰস্তুতি ঃ বিল, পিটনি বা দলনি আদি ঠাইত কৰা বৰো ধানৰ বাবে মূল পথাৰ প্ৰস্তুতিৰ বাবে বিশেষ কষ্ট কৰিব লগা নহয়। তেনেকুৱা ঠাইত মেটেকা, ঘাঁহ-বন বা দল আদি গুচাই এবাৰ এবাৰ হালবাই মৈয়ায়ো কঠীয়া ৰুৱ পৰা যায়। কিন্তু দ' অঞ্চলৰ উপৰিভাগ বা শালি খেতি কৰা অঞ্চলত বৰো ধানৰ খেতি কৰিবলৈ হ'লে ৩-৪ বাৰ হালবাই মাটিডৰা সমান কৰিব লাগে। পথাৰত সমানে পানী ৰাখিবৰ বাবে ঘনাই আলি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

উৰ্বৰা পৰিচালন ব্যৱস্থা ঃ আহু ধান বা শালি ধানৰ খেতিৰ নিচিনাকৈ বৰো ধানৰ খেতিতো জৈৱিক আৰু ৰাসায়নিক দুয়োবিধ সাৰেই প্ৰয়োগ কৰিব লাগে। যিবোৰ দ' অঞ্চলৰ মাটি সেইবোৰত ৰাসায়নিক সাৰ প্ৰয়োগ কৰিব নালাগে। বৰযুণৰ ওপৰত নিৰ্ভৰশীল বৰো ধানৰ খেতিত বিঘাই প্ৰতি ১২ কিঃগ্ৰা ইউৰীয়া, ১৭ কিঃগ্ৰাঃ একক চুপাৰ ফচফেট আৰু ৪ কিঃগ্ৰাঃ মিউৰেট অৱ পটাছ সাৰ প্ৰয়োগ কৰিব লাগে। আনহাতে জলসিঞ্চিত মাটিত বিঘাই প্ৰতি ১৮ কিঃগ্ৰা ইউৰীয়া, ২৭ কিঃগ্ৰাঃ একক চুপাৰ ফচফেট আৰু ৬ কিঃগ্ৰাঃ মিউৰেট অৱ পটাছ সাৰ প্ৰয়োজন হয়। দ' অঞ্চলৰ উপৰিভাগত কৰা বৰো ধানত ৰোৱনী চাহতে সমুদায় একক চুপাৰ ফচফেট আৰু মিউৰেট অৱ পটাছ সাৰ প্ৰয়োগ কৰি ইউৰীয়া সাৰখিনি কঠীয়া ৰোৱাৰ ২১-২৫ দিনৰ পাছত প্ৰয়োগ কৰিব লাগে। জলসিঞ্চনৰ সুবিধা থকা ঠাইত কৰা বৰো ধানত ৰোৱনী চাহতে ইউৰীয়াৰ এক তৃতীয়াংশ অৰ্থাৎ ৬ কিঃগ্ৰাঃ আৰু একক চুপাৰ ফচফেট তথা মিউৰেট অৱ পটাছৰ সমুদায় অংশ প্ৰয়োগ কৰিব লাগে। বাকী ৰৈ যোৱা ইউৰীয়া সাৰখিনি সমানে দুভাগ কৰি (৬ কিঃগ্ৰাঃ +৬ কিঃগ্ৰাঃ) এভাগ ধানে পোখা মেলাৰ সময়ত আৰু আনভাগ ধানে মণি ধৰাৰ সময়ত প্ৰয়োগ কৰিলে সুফল পোৱা যায়।

কঠীয়া ৰোপণ ঃ

বৰো ধানৰ উৎপাদন বৃদ্ধি কৰিবলৈ হ'লে শাৰীবদ্ধ প্ৰণালীত কঠীয়া ৰোপণ কৰিব লাগে। শাৰীবদ্ধ প্ৰণালীত কঠীয়া ৰুলে গোছাৰ পৰিমাণ ঠিকে থাকে। বৰো ধানৰ চাপৰ জাতৰ বাবে ২০ ছেঃমিঃ x ২০ ছেঃমিঃ আৰু ওখ জাতৰ বাবে ২৫ ছেঃমিঃ x ২০ ছেঃমিঃ ব্যৱধানত কঠীয়া ৰুব লাগে। ৪৫ দিনীয়া কঠীয়া ৰুব লাগে। গোছাই প্ৰতি ২ বা ৩ ডাল কঠীয়াই যথেষ্ট। কঠীয়া ৰোৱাৰ এসপ্তাহৰ পিছতে মৰি যোৱা কঠীয়াবোৰ উভালি নতুন কঠীয়া ৰোৱাৰ ব্যৱস্থা কৰাটো অতি প্ৰয়োজনীয় কথা।

জলসিঞ্চন ব্যৱস্থা ঃ বৰো ধানৰ খেতিৰ সময়ছোৱাত কাতি মাহৰ পৰা ফাগুণ মাহলৈ বৰষুণ কম হয় বাবে পথাৰত পানী যোগানৰ ব্যৱস্থা কৰিব লগা হয়। বৰোধানৰ পথাৰত কঠীয়া ৰোৱাৰ পৰা ধান চপোৱাৰ ১৫ দিন আগলৈকে ৫ ছেঃমিঃ পৰিমাণৰ পানী ৰাখিব লগা হয়। পানী যোগানৰ ক্ষেত্ৰত মিতব্যয়িতা অৱলম্বন কৰিবৰ বাবে আগতে যোগান ধৰা পানী শুকুৱাৰ ৩ দিনৰ পাছত পুনৰ ৫ ছেঃ মিঃ পানী পথাৰত যোগান ধৰিব লাগে। বৰো ধানৰ খেতিত পানী যোগানৰ খৰচ বেছি হোৱা বাবে পানী যোগানৰ ক্ষেত্ৰত যথেষ্ট হিচাপী হ'ব লাগে।

ড° ৰণজিৎ কুমাৰ সাউদ

আঘোণ-পুহ মাহৰ সম্ভাব্য কীট-পতংগৰ ব্যৱস্থাপনা

কৃষি বিশেষজ্ঞ ড° দিলীপ কুমাৰ শইকীয়া, ড° বিজন চন্দ্ৰ দত্ত, ড° ৰাতুল কুমাৰ বৰা, ড° ছাহিদুৰ ৰহমান, ড° সমীৰণ পাঠক, ড° মুকুল কুমাৰ ডেকা, ড° বাদল ভট্টাচাৰ্য্য আৰু ড° সুৰজিৎ কলিতাই কৃষক ৰাইজৰ জ্ঞাতাৰ্থে এই সংখ্যাৰ পৰামৰ্শ আগবঢ়াইছে।

এতিয়া ধান চপোৱাৰ সময় হোৱা হেতুকে পথাৰৰ পৰা এন্দুৰ, কাষৰ ঘৰ বা ভঁৰাললৈ প্ৰবজন ঘটিব। ধান চপোৱাৰ সময়ত এন্দুৰৰ উপদ্ৰৱ ধানখেতিতো বৃদ্ধি পায়, সেয়েহে এই সময়ত এন্দুৰ নিয়ন্ত্ৰণৰ বাবে সজীৱ গাঁতৰ মুখত বাঁহেৰে নিৰ্মিত চিটিকা পাতিব লাগে নাইবা গাঁতৰ মুখত জলকীয়াৰ ধোৱা দিলেও ইহঁত পলাই-পত্ৰং দিয়ে। ধান-শাক-পাচলি শস্যক্ৰমত এন্দুৰৰ উপদ্ৰৱ অধিক হ'লে জিংক ফচফাইডৰ টোপ ব্যৱহাৰ কৰি নতুবা ফান্দ পাতি ইহঁতক নিয়ন্ত্ৰণ কৰিব পাৰি। ৯৬০ গ্ৰাম খুদ চাউল + ২০ মিঃলিঃ সৰিয়হৰ তেল + ২০ গ্ৰাম জিংক ফচফাইড মিহলাই টোপ তৈয়াৰ কৰি, ইয়াৰে ১০-১৫ গ্ৰামকৈ পথাৰৰ প্ৰতিটো সজীৱ গাঁতৰ মুখত ৰাখিব লাগে। ধান সংৰক্ষণ কৰাৰ আগত ভালদৰে ২-৩ দিন মান ৰ'দত শুকুৱাব লাগে। ভঁৰালঘৰ ভালদৰে পৰিষ্কাৰ কৰি ভঁৰালৰ বেৰ আৰু তলিখনত মালাথিয়ন ৫০ ইচি ঔষধৰ এক চাহ চামোচ, প্ৰতি লিটাৰ পানীত মিশ্ৰণ কৰি স্প্ৰে কৰিব লাগে। তেনে কৰিলে কিছুদিনলৈ ভঁৰালত অন্যান্য কীট-পতংগৰ লগতে এন্দুৰৰ প্ৰৱেশ ৰোধ কৰিব পৰা যায়। ধান বস্তাত ৰাখিবলৈ হ'লে, খালি বস্তাবোৰ ওপৰোক্ত ঔষধৰ মিশ্ৰণত ডুবাই ছাঁত শুকুৱাই লৈহে বস্তাত ভৰাই সংৰক্ষণ কৰিব লাগে।

সৰিয়হ শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে কৃষক আৰু মৌপালকসকলে ভাৰতীয় সঁচৰ মৌবাহ প্ৰতি হেক্টৰত ৫ টাকৈ নতুবা পশ্চিমীয়া সঁচৰ মৌবাহ ২ টাকৈ সৰিয়হৰ পথাৰত স্থাপন কৰা উচিত। সৰিয়হত দেখা দিব পৰা মোৱা পোক আৰু সৰিয়হৰ ক'লা পলুৰ পৰা ৰক্ষা পাবলৈ অক্সিডিমেটন মিথাইল ২৫ ইচি দৰৱৰ একক চাহ চামোচ ৫ লিটাৰ পানীত মিহলাই প্ৰয়োগ কৰক। নিমজাতীয় ঔষধ ব্যৱহাৰ কৰিও কৃষকসকল উপকৃত হ'ব পাৰে।

এই সময়ছোৱাত আলুত ৰঙা পৰুৱাৰ আক্ৰমণ পৰিলক্ষিত হয়। ৰঙা পৰুৱাই গছৰ গুৰিত মাটিৰে বাঁহ সাজি ভিতৰত সোমাই থাকি আলুবোৰ খাই নষ্ট কৰে। ৰঙা পৰুৱাৰ উপদ্ৰৱৰ পৰা হাত সাৰিবলৈ বালিচহীঁয়া মাটি অথবা আগেয়ে ৰঙা পৰুৱাৰ আক্ৰমণ দেখা দিয়া অঞ্চলক নিৰ্বাচন কৰা অনুচিত। বিঘাই প্ৰতি ৫ কিঃগ্ৰাঃ মালাথিয়ন পাউদাৰ ৰোপণৰ পূৰ্বে লোৰবোৰত প্ৰয়োগ কৰি ল'ব লাগে। লোৰবোৰত এক চাহ চামোচ ক্লৰ'পাইৰিফচ্ ২০ ইচি ২ লিটাৰ পানীত মিহলাই (বা ক্লৰ'পাইৰিফচ্ ৩০০ গ্ৰাম প্ৰতি হেক্টৰত) প্ৰয়োগ কৰি বীজ ৰোপণ কৰিলে ৰঙা পৰুৱাৰ উপদ্ৰৱৰ পৰা হাত সাৰিব পাৰি। এই ক্ষেত্ৰত কৃত্ৰিম ৰাসায়নিকৰ পৰিবৰ্তে বিঘাই প্ৰতি ২০ কিঃগ্ৰাঃ খলিহে প্ৰয়োগ কৰিলেও সুফল পোৱা যায়।

মাহখেতিত, পাত আৰু কুমলীয়া গা-গছ শুহি খোৱা বিভিন্ন পতংগৰ প্ৰাদুৰ্ভাৱ দেখা যায়। এই পতংগবোৰক নিয়ন্ত্ৰণ কৰিবলৈ ইমিডাক্ল'ৰপ্ৰিড ১৭.৮ এচ. এল. দৰৱৰ এক চাহ চামোচ ১০ লিটাৰ পানীত মিহলাই প্ৰয়োগ কৰক নতুবা চাইপাৰমেথ্ৰিন ২৫ ইচি দৰৱৰ এক চাহ চামোচ ৫ লিটাৰ পানীত মিহলাই প্ৰয়োগ কৰক।

বেঙেনাৰ আগ আৰু ফল বিন্ধা কৰা পোকৰ নিয়ন্ত্ৰণৰ বাবে, ডিম্ব পৰজীৱী "ট্ৰাইক'গ্ৰামা কাইল'নিজ" যুক্ত ট্ৰাইক'কাৰ্ড; বিলাহীৰ ফল বিন্ধোৱা পোকৰ বাবে "ট্ৰাইক'গ্ৰামা প্ৰিটিঅ'ছাম" যুক্ত ট্ৰাইক'কাৰ্ড আৰু কবিৰ পখিলাজাতীয় পোকৰ ডিম্ব ধ্বংস কৰিবৰ বাবে "ট্ৰাইক'গ্ৰামা পিৰিডি" যুক্ত ট্ৰাইক'কাৰ্ড ব্যৱহাৰ কৰিও সুফল লাভ কৰিব পাৰি। এই উপকাৰী ট্ৰাক'গ্ৰামা বিঘাই প্ৰতি ১৫,০০০ কৈ ১০ দিনৰ অন্তৰালত ৬ বাৰ প্ৰয়োগ কৰক। আঠাযুক্ত হালধীয়া আকৰ্ষক কাৰ্ড ব্যৱহাৰ কৰিও মোৱা পোক, শোহনি পোক আৰু বগামাখি নিয়ন্ত্ৰণ কৰিব পাৰি; অৱশ্যে নিমজাতীয় কীটনাশক ঔষধ এক চাহ চামোচ প্ৰতি লিটাৰ পানীত মিহলাই গছত প্ৰয়োগ কৰিও এই কীট-পতংগক খেতিডৰাৰ পৰা বিকৰ্ষণ কৰিব পাৰি।

বিন, লেচেৰা মাহ, মটৰ মাহ, লাই, পালেং আদি পাচলিজাতীয় শস্যত আৰু নাৰ্জি, গোলাপ, ইন্দ্ৰমালতি, টিউবৰ'জ, জাৰবেৰা আদি ফুলজাতীয় গছ-গছনিত ৰঙা চাঁহীপোকৰ আক্ৰমণ হ'ব পাৰে। ইয়াৰ প্ৰতিকাৰৰূপে প্ৰপাৰজাইট ৫৭ ইচি দৰৱৰ এক চাহ চামোচ প্ৰতি ৫ লিটাৰ পানীত মিহলাই আবেলিৰ সময়ত ছটিয়াব লাগে।

ৰুদ্ৰ নাৰায়ণ বৰকাকতি

সেউজসাৰ

কিছুমান শস্যৰ খেতি কৰি এক নিৰ্দ্দিষ্ট সময়ৰ পাছত এইবোৰৰ ডাল-পাত আদি কাটি মাটিৰ লগত মিলাই দিলে যি সাৰ পোৱা যায়, তাকে সেউজসাৰ বোলা হয়। সকলো উদ্ভিদৰ পৰাই এনে সাৰ পাব পৰা যায় যদিও ইয়াৰ বাবে কিছুমান বিশেষ উদ্ভিদ চিনাক্ত কৰা হৈছে। সেউজসাৰ তিনি ভাগত ভাগ কৰা হৈছে। কিছুমান শস্যৰ খেতি কৰি মাটিৰ লগত মিহলাই দিয়া হয়। যেনে - ধইনচা, শণ, বেলিফুল আদি। অন্য কিছুমান উদ্ভিদৰ পাত সংগ্ৰহ কৰি খেতি মাটিত মিহলোৱা হয়। যেনে - সোণাৰু, নিম, ভেট, এৰা আদি। আনহাতে আন কিছুমান আৱৰণ শস্যৰ ফচল চপাই ডাল-পাত মাটিৰ লগত মিহলোৱা হয়। যেনে - মগুমাহ, মাটিমাহ, লেচেৰামাহ আদি।

সেউজসাৰৰ গুণাগুণ ঃ

১) সেউজসাৰ প্ৰয়োগ কৰি সহজে জৈৱ পদাৰ্থ বৃদ্ধি কৰিব পৰা যায়। ২) সেউজসাৰৰ ফলত মাটিত উপকাৰী অণুজীৱৰ সংখ্যা বৃদ্ধি কৰে। ৩) মাটিত শস্যৰ পোষক দ্ৰব্য বৃদ্ধি কৰে। ৪) সেউজসাৰ ব্যৱহাৰৰ যোগেদি ভূমিক্ষয় সহজে ৰোধ কৰিব পৰা যায়। ৫) মাটিত জৈৱিক গুণৰ উন্নতি হয়। ৬) সেউজসাৰে ৰাসায়নিক সাৰৰ কাৰ্যকাৰিতা বৃদ্ধি কৰে।

মুঠতে এক কথাত ক'বলৈ গ'লে ৰাসায়নিক সাৰ ব্যৱহাৰৰ লগতে সেউজসাৰ ব্যৱহাৰ কৰি অধিক খাদ্য শস্য উৎপাদন কৰিব পৰা যায়।

শ্ৰীজিতুমণি নাথ

আমাৰ একাষাৰ

শস্য বিচিত্ৰতাৰ প্ৰয়োজনীয়তা আৰু সম্ভাৱনীয়তা

শস্য বিচিত্ৰতাৰ বিভিন্ন কৃষি পদ্ধতিসমূহ যেনে শস্যাবৰ্তন,অন্তবৰ্তী শস্যৰ খেতি, মিশ্ৰিত শস্যৰ খেতি, ৰিলে শস্যৰ খেতি, শস্য বহুমূখীকৰণ আৰু বহুতৰপীয়া খেতিৰ জৰিয়তে একেডৰা মাটিৰ পৰা একে সময়তে আৰু এটা কৃষি বৰ্ষত বেলেগ বেলেগ সময়ত বিভিন্ন ধৰণৰ খাদ্য শস্যৰ উৎপাদন পাব পৰা যায়। দুটা বা তাতোধিক শস্যৰ খেতি শস্যক্ৰমত কৰি বা অন্তৰ্বৰ্তী শস্য হিচাবে কৰি আমাৰ ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকল অধিক লাভান্বিত হ'ব পাৰে আৰু লগতে লোকচানৰ সম্ভাৱনা কম হয়। শস্য বিচিত্ৰতাই শস্যৰ বেমাৰ-আজাৰ, কীট-পতঙ্গ আৰু বন-বাতৰ প্ৰাদুভাৰ্ৱ বহুলাংশে কমাব পাৰে, লগতে উপকাৰী কীট-পতঙ্গৰ সংখ্যা বৃদ্ধি কৰে। শস্যক্ৰমত মাহজাতীয় শস্যৰ অন্তৰ্ভুক্তিয়ে মাটিৰ উৰ্বৰা ও উৎপাদিকা শক্তি বৃদ্ধি কৰে। শস্য বিচিত্ৰতাই কৃষকৰ নিয়মীয়া আয়ৰ পথ মুকলি কৰে আৰু মুঠ আয় বৃদ্ধি কৰে। ই পৰিবেশ আৰু পাৰিপাৰ্শ্বিক বাৰ্তাবৰণ নষ্ট হ'ব নিদিয়ে আৰু পৰিয়ালৰ বাবে কৃষিজাত সামগ্ৰীৰ অভাৱ পূৰণ কৰাৰ লগতে পৰিয়ালৰ পৰিপুষ্টি সাধনত অৰিহণা যোগায়।

ধান, মাহ আৰু তেল আমাৰ খাদ্য তালিকাৰ এক অবিচ্ছেদ্য আৰু অপৰিহাৰ্য্য অংগ। অসমৰ মাটি আৰু জলবায়ু এই শস্যসমূহৰ বাবে অনুকূল যদিও ধানৰ বাহিৰে মাহ আৰু তেলজাতীয় শস্য উৎপাদনত ৰাজ্যখনে এতিয়াও স্বাৱলম্বী হ'ব পৰা নাই। ভাৰতৰ অন্য বহু ৰাজ্যৰ তুলনাত অসমত মাহজাতীয় আৰু তেলজাতীয় শস্যৰ উৎপাদন চাহিদাৰ তুলনাত যথেষ্ট কম। প্ৰতিবছৰে মাহৰ উৎপাদনৰ ক্ষেত্ৰত প্ৰায় ৭০ শতাংশ আৰু তেলৰ ক্ষেত্ৰত ৫০ শতাংশ ঘাটি হয়। এই ঘাটি পূৰাবলৈয়ে প্ৰতিবছৰে আমাৰ প্ৰয়োজনীয় মাহ আৰু তেলৰ বুজন অংশ ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা আমদানি কৰিব লগা হয় আৰু তাৰ ফলত বছৰি বহু ধন বহিঃৰাজ্যলৈ ওলায় যায়। গতিকে ধানৰ লগতে বাকী খাদ্য শস্যসমূহো বহুলভিত্তিত কৰি উৎপাদন বঢ়োৱাত আমাৰ কৃষকসকলে গুৰুত্ব দিব লাগিব। একেডৰা মাটিত এটা কৃষি বৰ্ষত দুটা বা ততোধিক শস্যৰ খেতি কৰি শস্যৰ উৎপাদন বঢ়োৱাৰ লগতে শস্য-প্ৰাবল্য ২০০ বা ৩০০ শতাংশলৈ বৃদ্ধি কৰিব লাগিব।

বৰ্তমান অসম তথা সমগ্ৰ বিশ্বতে জনসংখ্যাৰ দ্ৰুত বৃদ্ধিয়ে জনমূৰি ভুমিৰ পৰিমাণ ক্ৰমাণয়ে হ্ৰাস কৰি আনিছে। এক হিচাব মতে এই শতিকাৰ শেষৰফালে মানুহ আৰু ভূমিৰ অনুপাত ১ঃ০ঃ১৪ হেক্টৰ হ'বগৈ বুলি অনুমান কৰা হৈছে। কিন্তু খাদ্যশস্যৰ উৎপাদন ইয়াৰ সমানুপাতিকভাৱে বঢ়া নাই। জনসংখ্যাৰ বৃদ্ধিৰ লগে লগে দেশ তথা ৰাজ্যৰ খাদ্যৰ চাহিদাও বাঢ়ি গৈ আছে আৰু এই বৰ্দ্ধিত জনসংখ্যাৰ চাহিদা পূৰণ কৰিবলৈ খাদ্যশস্যৰ উৎপাদন বঢ়োৱাতো অতিকৈ প্ৰয়োজন হৈ পৰিছে। আনহাতে খাদ্য শস্যৰ উৎপাদন বঢ়াবলৈ কৃষিভূমিৰ পৰিমাণ পোনে পোনে বঢ়াব পৰা নাযাব। যিহেতু মাটিৰ সীমাবদ্ধতা আছে। গতিকে তাকৰীয়া মাটিতে এটা কৃষিবৰ্ষত এটাৰ পিছত আন এটা শস্যৰ খেতি কৰি কৃষিভূমিৰ পৰিমাণ বৃদ্ধি কৰাৰ লগতে অধিক খাদ্যশস্য উৎপাদন কৰাতো বৰ্তমান সময়োপযোগী পদক্ষেপ হৈ পৰিছে।

বৰ্তমান ৰাজ্যখনৰ মুঠ কৃষি উপযোগী মাটিৰ প্ৰায় ২৮ লাখ হেক্টৰত ১৪৮ শতাংশ শস্য প্ৰাৱল্যতাৰে খেতি কৰা হয়। ইয়াৰে প্ৰায় ২৪-২৫ লাখ হেক্টৰ মাটিত শালি, বাও, আহু আৰু বৰো এই আটাইকেইবিধ সামৰি ধান খেতি কৰা হয়। মুঠ ধান খেতি কৰা মাটিৰ প্ৰায় ১৮ লাখ হেক্টৰত অকল শালি ধানৰ খেতি কৰা হয়। শালি ধান কটাৰ পিছত শতকৰা প্ৰায় ৫০ ভাগ মাটি চন পৰি থাকে, অৰ্থাৎ কোনো ধৰণৰ খেতি কৰা নহয়। ইয়াৰে প্ৰায় ১০ লাখ হেক্টৰ মাটি মধ্যমীয়া দ' আৰু পলসুৱা আৰু এই মাটি শীতকালীন শস্যৰ বাবে অতি উপযোগী এই ১০ লাখ হেক্টৰ মাটিৰে ৩-৫ লাখ হেক্টৰ মাটিত বিভিন্ন ধৰণৰ ৰবি শস্য কৰা হয় আৰু বাকী থকা ৬.৫ লাখ হেক্টৰ মাটি ৰবি শস্যৰ বতৰত এতিয়াও চন পৰি থাকে। এই মাটিত আমাৰ খেতিয়কসকলে ৰবিবতৰত মাহজাতীয়, তেলজাতীয় আৰু অন্যান্য লাভজনক তথা চাহিদা থকা শস্যসমূহৰ খেতি শস্যক্ৰমত সুন্দৰভাৱে কৰি লাভৱান হ'ব পাৰে। ইয়াৰ ফলত আমাৰ ৰাজ্যখনক অদূৰ ভৱিষ্যতে বিভিন্ন ধৰণৰ খাদ্য শস্য উৎপাদনত স্বনিৰ্ভৰশীল কৰি তুলিব পাৰে।

অসমৰ অৰ্থনীতি কৃষিভিত্তিক। গ্ৰাম্য অৰ্থনীতিৰ ভেটি শক্তিশালী কৰাৰ ক্ষেত্ৰত কৃষকসকলৰ ভূমিকা উল্লেখনীয়। আনহাতে অসমত উপান্ত আৰু ক্ষুদ্ৰ কৃষকৰ সংখ্যাই সৰহ। গতিকে তেওঁলোকে শস্য বিচিত্ৰতাৰ বিভিন্ন ধৰণৰ ব্যৱস্থা তথা উপায়সমূহত মনোনিৱেশ কৰিলে কম মাটিতে অধিক আৰু ভিন্ন ধৰণৰ খাদ্য শস্য উৎপাদনৰ দ্বাৰা আৰ্থিকভাৱে নিশ্চয় টনকিয়াল হ'ব পাৰিব।

ড° অঞ্জুমালা ডেকা

মাহটোৰ কৃষিকৰ্ম্ম

১৫ পুহৰ পৰা ১৫ মাঘ, ১৯৪৪ শক

পথাৰ শস্য

সৰিয়হঃ

ইতিমধ্যে ফুল ফুলি চেঁই ধৰিবলৈ আৰম্ভ কৰা গছবোৰত পুহৰ আৰম্ভণিৰ পৰা মোৱা পোকৰ আক্ৰমণ আৰম্ভ হয়। কাতি-আঘোণ (নবেম্বৰ) মাহৰ কৃষিকৰ্ম্মত দিয়া শস্য ৰক্ষাৰ ব্যৱস্থাকে গ্ৰহণ কৰিব।

আলু ঃ

১) আঘোণ-পুহ মাহৰ ভিতৰত ব্লাইট আৰু অন্যান্য বেমাৰৰ প্ৰতিষেধক হিচাবে কাতি-আঘোণ (নবেম্বৰ) মাহৰ কৃষিকৰ্ম্মত দিয়া শস্য ৰক্ষাৰ ব্যৱস্থাকে গ্ৰহণ কৰিব।

কুঁহিয়াৰ ঃ

১) কুঁহিয়াৰ কাটিবৰ বাবে জাতটো আগতীয়া নে শেহতীয়া জানিলৈ সেই হিচাপে কাটিব।

২) আগতীয়া জাতৰ হ'লে ১০ মাহত কাটিবৰ উপযুক্ত হয় আৰু শেহতীয়া হলে ১১-১২ মাহত কাটিবৰ উপযুক্ত হয়।

৩) অপৈণত অৱস্থাত কুঁহিয়াৰ কাটিলে ৰসৰ পৰা উপযুক্ত গুৰ বা চেনী উৎপাদন কৰিব পৰা নহয়।

৪) কুঁহিয়াৰ কাটিলে দুদিনতকৈ বেছি ৰাখি নেপেৰিব। কটাৰ পিচত বেছিদিন ৰাখি থৈ পেৰিলে গুৰ বা চেনীৰ উৎপাদন ক্ষমতা হ্ৰাস পায়।

ড° ৰণজিৎ কুমাৰ সাউদ

উদ্যান শস্য

আঘোণ মাহত উদ্যান শস্যৰ পৰিচৰ্য্যা

আঘোণ মাহত অসমৰ মাটি আৰু জলবায়ু অনুসৰি ফল-মূল গছৰ প্ৰতিপালন সমূহ এনেধৰণৰ -

কল ঃ কল গছৰ গুৰিৰ পৰা অলাগতীয়াল বন-বাতবোৰ আঁতৰাই দিয়ক। এতিয়াই কলৰ বাৰীখন পৰিস্কাৰ কৰি ৰাখিলে গোটেই জাৰকালিটো বন-বাত নহয়। বন-বাতবোৰ চিকুণাই দিয়াৰ পিচত গুৰিত মাটি জাপি দিয়ক। পিচত গছৰ গুৰিত জীপ থাকিবলৈ গছৰ শুকান পাত, শুকান জাবৰ-জোথৰ জাপি দিয়ক। মাটিৰ উপৰিভাগত মাটিৰ আৱৰণি হিচাবে পলিথিন কাপোৰো ব্যৱহাৰ কৰিব পাৰে। প্ৰতি ১০-১২ দিনৰ ব্যৱধানত পানীৰ যোগান ধৰক।

নাৰিকল ঃ নতুনকৈ ৰোপণ কৰা নাৰিকল গছৰ বাগিছাৰ মাজৰ খালি অংশবিলাকত অন্ত বৰ্ত্তী শস্য হিচাবে নানা তৰহৰ শীতকালীন শাক-পাচলিৰ খেতি কৰক। গছৰ গুৰিৰ মাটিত জীপ ৰাখিবৰ বাবে কল গছৰ গুৰিত দিয়াৰ দৰে ব্যৱস্থা লওক। গছত থকা পূৰঠ শুকান নাৰিকলবোৰ পাৰি আনক। লগতে গছৰ আগ অংশত অৰ্থাৎ পাতৰ খোৰোঙত থকা পঁচা ফুল, বাকলি, ফুল আদি আঁতৰাই দিয়ক আৰু শুকান পাত বা ফুলৰ ঠাৰিবোৰ কাটি গছৰ আগছোৱা পৰিস্কাৰ কৰি ৰাখক। প্ৰতি ১০-১২ দিনৰ ব্যৱধানত পানীৰ যোগান ধৰক।

তামোল ঃ তামোল বাৰীখনৰ পৰা বন-বাতবোৰ আঁতৰাই গছৰ গুৰিত মাটি জাপি দিয়ক। নতুনকৈ পতা তামোল বাৰীৰ মাজৰ খালি অংশত শীতকালীন শাক-পাচলি ৰোপন কৰি উপৰুৱা আয়ৰ ব্যৱস্থা কৰক। গছৰ গুৰিত জীপ ৰাখিবৰ বাবে কল-নাৰিকল খেতিত কৰাৰ দৰে ব্যৱস্থা লওক। তামোল, নাৰিকল গছত গোৱৰ সাৰ সৰহকৈ ব্যৱহাৰ কৰিব লাগে।

মাটি কঠাল ঃ দুশৰীয়া পদ্ধতিত কৰা মাটি কঠালৰ খেতিৰ মাজৰ পৰা বন-বাতবোৰ আঁতৰাই দিয়ক। ফলদিয়া গছবোৰৰ গুৰিত মাত্ৰ এটা পোখা পুলিহে ৰাখিব লাগে। ফলৰ ঠিক তলতে থকা পোখা পুলি আৰু ফলৰ ওপৰত থকা মুকুট ফল চপোৱাৰ পিচত জীপ থকা মাটিত ঘন ঘনকৈ ৰুই থব লাগে যাতে শিপা ওলায়।

নেমু টেঙা ঃ গছৰ পৰা পূৰঠ ফলবোৰ চপাই আনক। লগে লগে গছত থকা শুকান ডালবোৰ বা পোক বা বেমাৰে আক্ৰমণ কৰি নষ্ট কৰি দিয়া ডালবোৰ কাটি দিয়ক। এই সময়তে গছত পাতলীয়াকৈ দীঘল ডালবোৰ কলম কৰি দিব লাগে। গছৰ গুৰিৰ পৰা বন-বাতবোৰ চিকুণাই গুৰিত জাবৰ-জোঠৰ, পচন সাৰ আৰু শুকান পাত জাপি দিয়ক। গছৰ গুৰিত ঘূণে খোৱা পোকে যদি আক্ৰমণ কৰি গুৰিটো ফুটা কৰি দিছে তেন্তে এডোখৰ কপাহ ০.৫ শতাংশ শক্তিৰ ডাইমেক্ৰণ দৰৱত (প্ৰতি লিটাৰ পানীত ৫ মিঃলিঃ ঔষধৰ মিশ্ৰণ) ডুবাই ফুটাবিলাক বোকামাটিৰে লেপি বন্ধ কৰি দিব লাগে।

সুমথিৰা টেঙা ঃ ফলৱতী গছত পূৰঠ হৈ পকিবলৈ ধৰা টেঙাবোৰ চপাই আনক। লগে লগে গছৰ পৰা শুকান ডালবোৰ কাটি দিয়ক। গছৰ গুৰিত যদি ঘূণে ধৰা পোকে ধৰিছে তেন্তে নেমু টেঙা গছত দিয়াৰ দৰে নিবাৰণৰ ব্যৱস্থা কৰক। গছৰ গুৰিৰ পৰা বন-বাতবোৰ চিকুণাই বাৰীখন পৰিস্কাৰ কৰি ৰাখক।

অমিতা ঃ গছৰ গুৰিৰ পৰা বন-বাতবোৰ আঁত ৰাই বাৰীখন পৰিস্কাৰ কৰি ৰাখক আৰু গছৰ গুৰিত মাটি চপাই দিয়ক। ফল ধৰা গছত বাঢ়িব নোৱাৰা মাজৰ সৰু সৰু অমিতাবোৰ পাৰি আনক।

মধুৰি আম ঃ গছৰ গুৰিৰ পৰা ওলোৱা নতুন ডালবোৰ কাটি দিয়ক। ফল নধৰা বা আগটোৰ ওপৰৰ পৰা শুকাই অহা ডালবোৰ কাটি দিয়ক। ফল ওলাব খোজা বা নোলোৱা থিয়কৈ বাঢ়ি যোৱা ডালবোৰ তললৈ হাওলাই দিয়ক। গছৰ গুৰিৰ পৰা বন-বাতবোৰ চিকুণাই দিয়ক।

লিচু ঃ গছৰ পৰা ডালবোৰ কাটি দিয়ক। যদি পাতত মাইত জাতীয় পোকে আক্ৰমণ কৰিছে তেন্তে ০.২ শতাংশ শক্তিৰ ৰগৰৰ মিশ্ৰণ (প্ৰতি লিটাৰ পানীত ২ মিঃলিঃ ঔষধৰ মিশ্ৰণ) পাতত ছটিয়াওক। গছৰ গুৰিৰ পৰা বন-বাতবোৰ আঁতৰাই দিয়ক।

আম ঃ গছত ওলোৱা নতুন কোঁহ পাতবোৰ যাতে পোকে নাখায় তাৰ বাবে ০.২ শতাংশ শক্তিৰ ৰগৰ বা ডাইমেক্ৰণৰ মিশ্ৰণ পাতত ছটিয়াই দিয়ক। শুকান ডাল আৰু পোকে বেছিকৈ আক্ৰমণ কৰা আৰু গছৰ মাজভাগত থকা ছাঁ পৰা সৰু সৰু ডালবোৰ কাটি দিয়ক। গছৰ তলৰ মাটিবোৰ কোৰ মাৰি লুটিয়াই দিয়ক যাতে মাটিত বাস কৰা পোকৰ বাহ বা কণী মৰি যায়। গছৰ গুৰিৰ পৰা ৰ মিটাৰ ওপৰলৈ চূণৰ এটা প্ৰলেপ দিয়ক।

জালুক ঃ গছত থকা ফলৰ চিৰাবোৰৰ ৰং যদি সলনি হৈ মুগা বৰণৰ হৈছে তেন্তে চিৰাবোৰ পাৰি আনক। পাৰি অনা চিৰাবোৰ ৰ'দত দিয়ক যাতে ই কলা পৰি সোতৰা-সোতোৰ হয়। ফল পাৰিবৰ সময়ত ওপৰৰ লতাবিলাক আশ্ৰয়কাৰী গছত বান্ধি দিয়ক।

বাৰীত থকা প্ৰতিজোপা ফল-মূল গছৰ গুৰিৰ এক মিটাৰ অংশত এটা চূণৰ প্ৰলেপ দিয়ক।

ড° ৰাজেন্দ্ৰ প্ৰসাদ দাস
(অৱসৰী অধ্যাপক, অঃকৃঃবি)

(১ পৃষ্ঠাৰ ৩ কলমৰ পৰা)

তিতাবৰ আঞ্চলিক কৃষি..

কৰা উন্নত জাতৰ ধানৰ সোণোৱালী পথাৰখনো পৰিদৰ্শন কৰি আপ্লুত হ'লো। এই অনুষ্ঠানতে অসম কৃষি বিশ্ববিদ্যালয়ৰ কমিনিউটি বিজ্ঞান মহাবিদ্যালয়ৰ খাদ্য বিজ্ঞান আৰু পুষ্টি বিভাগে নতুনকৈ প্ৰস্তুত কৰি উলিওৱা 'খিচিৰি মিশ্ৰণ' শীৰ্ষক পুষ্টিকৰ খাদ্য সামগ্ৰীবিধ মুকলি কৰি অতিশয় আনন্দিত হৈছো। অতি কম সময়ৰ ভিতৰতে সিদ্ধ কৰিব পৰা এই পুষ্টিকৰ খাদ্য সামগ্ৰীবিধ ৰাইজে আদৰি ল'ব বুলি আমি দৃঢ় বিশ্বাসী। বিগত এশটা বছৰে ৰাজ্যখনৰ কৃষক ৰাইজলৈ নিস্বাৰ্থভাৱে সেৱা আগবঢ়াই যোৱা আৰু বৰ্তমান কৰ্মৰত এই কৃষি গৱেষণা কেন্দ্ৰটোৰ প্ৰতিগৰাকী বিজ্ঞানী, গৱেষক, বিষয়া-কৰ্মচাৰী সকলোকে শতবৰ্ষ পূৰ্ণৰ এই গৌৰৱময় মুহূৰ্তত মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। অসমৰ কৃষক ৰাইজৰ উন্নতিৰ বাবে আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰটোৱে অনাগত দিনতো নিষ্ঠাপূৰ্ণ সেৱা আগবঢ়াই যাব বুলি আশা ৰাখিছো। অনুষ্ঠানত তিতাবৰ সমষ্টিৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা, অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকা, যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মন, ঠেঙাল-কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰতাপ কছাৰী, অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালক ড° অশোক ভট্টাচাৰ্য, সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠক, তিতাবৰ আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° সঞ্জয় চেতিয়া প্ৰমুখ্যে কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৃষি বিজ্ঞানী তথা কৃষি গৱেষণা কেন্দ্ৰটোৰ বিষয়া-কৰ্মচাৰী আৰু কৃষক বন্ধুসকল উপস্থিত থাকে। পুৰা তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ খেলপথাৰৰ পৰা প্ৰায় তিনি কিলোমিটাৰজোৰা এক বৰ্ণাঢ্য সাংস্কৃতিক শোভযাত্ৰাও উলিওৱা হয়। ইয়াত বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দল, ছাত্ৰ-ছাত্ৰী, কৃষক ৰাইজ আৰু মহিলাসকলে অংশগ্ৰহণ কৰি এক ৰঙীণ পৰিবেশেৰে জীপাল কৰি তোলা পৰিলক্ষিত হয়। এই অনুষ্ঠানতে বৰ্ণাঢ্য শোভাযাত্ৰাত অংশগ্ৰহণকাৰী তিনিটা শ্ৰেষ্ঠ দলক বঁটা প্ৰদান কৰা হয়।

(১ পৃষ্ঠাৰ ৩ কলমৰ পৰা)

সৰ্বভাৰতীয় উদ্ভিদ ৰোগ ..

সৈতে গৱেষণামূলক কামৰ বহু সমস্যাৰ বিষয়ে সংযোগ স্থাপন কৰি বাটত আগবাঢ়ি যাবলৈ সক্ষম হ'ব। অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে কৃষি বিজ্ঞানগুৰু ড° জয়ন্ত ডেকাই এনে গুৰুত্বপূৰ্ণ বিষয়ৰ সন্মিলনৰ জৰিয়তে কৃষি শিক্ষাৰ্থী আৰু গৱেষকসকলে শেহতীয়া কৃষি তথ্য প্ৰযুক্তি কৌশলৰ বিষয়ে অধিক জ্ঞান আহৰণ কৰি উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত স্নাতকোত্তৰ শিক্ষা সঞ্চালক ড° অনুপ কুমাৰ দাস, আই পি এছৰ সম্পাদক আৰু আই এ আৰ আই নতুন দিল্লীৰ উদ্ভিদ ৰোগ বিজ্ঞান বিভাগৰ মুৰব্বী ড° ৰবিন গগৈ, যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ড° ৰাজীৱ কুমাৰ বৰা, অসম কৃষি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক তপন কুমাৰ গোহাঁই সন্মানীয় অতিথি হিচাবে যোগদান কৰে। সন্মিলনত অধিবেশনসমূহৰ লগতে অধ্যাপক এম জে নৰসিংহম বঁটা আৰু এপি এছ-আই পি এছ ভ্ৰমণ বঁটাৰ বাবে দুটা বিশেষ প্ৰতিযোগিতাও অনষ্ঠিত হয়।

(২ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

কৃষকৰ আয় বৃদ্ধিৰ বাবে ..

পিছত যদি বানপানীত ডুব যায় তেনেহ'লে তেনে ধান ১২-১৫ দিন পযন্ত পানীৰ তলত থাকিলেও মৰি নাযায়। একেদৰে টিটিবি ৪০৪ নামৰ শ্ৰাৱনী নামৰ ধানৰ উৎপাদন কৰি কৃষকক সকাহ দিবলৈ সক্ষম হৈছে। এই উন্নত জাতৰ ধানবিধ কৃষকসকলে নৱেম্বৰ মাহৰ ১৫-২০ তাৰিখেইচপাব পাৰে আৰু তেনে পথাৰত পুনৰ কৃষকে অন্য খেতি কৰিব পাৰে। একেদৰে এই কেন্দ্ৰটোৱে নেমুৰ ভিতৰত গুটিনথকা নেমু পুলি, ড্ৰেগন ফলৰ পুলিৰ লগতে পনীয়ৰ নামৰ উন্নত জাতৰ জালুক পুলিও উৎপাদন কৰি কৃষকক যোগান ধৰিছে। একেদৰে এবিধ উন্নত মানৰ কলপুলি উৎপাদন কৰিছে আৰু এনে পুলিৰ পৰা কৃষকসকল অধিক লাভবান হ'ব পাৰিব বুলি তেওঁ জানিবলৈ দিয়ে। তেনেদৰে কেন্দ্ৰটোত এতিয়া চাৰিবিধ উন্নত জাতৰ ঘাঁহ উৎপাদন কৰি তেনে ঘাঁহৰ পুলি বিক্ৰীৰ ব্যৱস্থা কৰিছে। বিশেষকৈ হাইব্ৰিড নেপিয়াৰ, চেতেৰিয়া, কংগু, চিগনেল, পাৰা আদি জাতৰ ঘাহঁৰ পুলি কেন্দ্ৰটোত উপলব্ধ বুলিও তেওঁ কয়। তদুপৰি এতিয়া এই কেন্দ্ৰটোত অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত এইচ ডি কে ৭৫ নামৰ এবিধ উন্নত জাতৰ গাহৰি ৰখা হৈছে আৰু এই গাহৰিৰ পৰা পোৱালি উৎপাদনৰ বাবে গাহৰি পালকসকলে কেন্দ্ৰটোৰ সহায় গ্ৰহণ কৰি আহিছে। সম্প্ৰতি সঁচ উৎপাদনৰ বাবে কেন্দ্ৰটোত ৰখা এটা পূৰ্ণ বয়স্ক গাহৰিৰ ওজন হৈছে প্ৰায় ১.৫০ কুইন্টল। একেদৰে মুৰ্গী উৎপাদনৰ ক্ষেত্ৰত কামৰূপা নামৰ উন্নত জাতৰ মুৰ্গী কেন্দ্ৰটোত উপলব্ধ আৰু এই কেন্দ্ৰটোৰ পৰা কামৰূপা মুৰ্গীৰ এটা কণী সচঁৰ বাবে ১৫ টকাকৈ বিক্ৰী কৰি থকা হৈছে। কেন্দ্ৰটোৱে এতিয়া টি এছ ৩৬ আৰু টি এছ ৬৭ নামৰ উন্নত জাতৰ সৰিয়হৰ বীজো ৰখা হৈছে। এই সৰিয়হৰ বীজৰ প্ৰধান বৈশিষ্ট্য হৈছে এনে সৰিয়হ কৃষকসকলে ডিচেম্বৰ মাহৰ ১০ তাৰিখ পৰ্যন্ত সিঁচিলেও ইয়াৰ উৎপাদন কোনো গুণে কম নহয়। ড° প্ৰশান্ত কুমাৰ পাঠকৰ লগতে সকলো বিষয়া-কৰ্মচাৰীৰ তৎপৰতাত আৰু একাগ্ৰতাত এতিয়া কেন্দ্ৰটোৱে প্ৰাণ পাই উঠিছে।

শীতকালীন শাক-পাচলিৰ খেতিত অপতৃণ নিয়ন্ত্ৰণ

কৃষকৰ কঠোৰ পৰিশ্ৰম তথা অৰ্থ ব্যয়ৰে কৰা শস্যডৰাত প্ৰায়েই কেতবোৰ অবাঞ্চিত উদ্ভিদে গা কৰি উঠি শস্যডৰা নিশকটীয়া কৰি পেলায়। শস্যক্ষেত্ৰত হোৱা এনে অবাঞ্চিত উদ্ভিদসমূহকে অপতৃণ বোলা হয়। অপতৃণসমূহে পোষক দ্ৰব্য, পানী, সৌৰশক্তি, ঠাই আদিৰ বাবে শস্যৰ সৈতে তৃণমূল প্ৰতিদ্বন্দ্বিতা কৰি শস্যৰ শ্ৰীবৃদ্ধি, উৎপাদন আদিত উল্লেখনীয়ভাৱে ব্যাঘাত জন্মায়। উৎপাদন হ্ৰাস হোৱাৰ উপৰিও উৎপাদিত শস্যৰ গুণগত মান নিম্ন হয় এই অপতৃণসমূহৰ দ্বাৰাই। বহুক্ষেত্ৰত এই অপতৃণসমূহে শস্যৰ অনিষ্টকাৰী কীট-পতঙ্গ তথা ৰোগৰ বীজাণুক আশ্ৰয় দি শস্যত ইবিলাকৰ আক্ৰমণ বৃদ্ধি কৰে। শস্যত এই অপতৃণসমূহৰ বিৰূপ প্ৰভাৱ সাধাৰণতে পলমকৈ পৰিলক্ষিত হয় বাবে বহুক্ষেত্ৰত এনে অপতৃণসমূহ নিয়ন্ত্ৰণৰ বাবে সময় মতে যথাযথ ব্যৱস্থা লোৱা নহয়। গড় হিচাবে এই অপতৃণসমূহে শস্যৰ উৎপাদন ১৫-৩০ শতাংশ হ্ৰাস কৰে। আমাৰ দেশত বছৰি প্ৰায় ২০,০০০ কোটি টকাতকৈও অধিক মূল্যৰ শস্য অনিষ্ট হয় এই অপতৃণসমূহৰ আক্ৰমণৰ দ্বাৰা।

শাক-পাচলি আমাৰ দৈনন্দিন খাদ্য তালিকাৰ এক অপৰিহাৰ্য উপাদান। আমাৰ ৰাজ্যত বুজন পৰিমাণৰ শাক-পাচলিৰ উৎপাদন হয় যদিও গড় হিচাবে প্ৰতি একক মাটিত হোৱা উৎপাদনৰ পৰিমাণ আন ৰাজ্যৰ তুলনাত যথেষ্ট কম। এই নিম্ন উৎপাদনৰ কাৰণ বহুতো যদিও অপতৃণৰ আক্ৰমণ মন কৰিবলগীয়া। শস্য উৎপাদনৰ মুঠ ব্যয়ৰ প্ৰায় এক তৃতীয়াংশ অপতৃণৰ নিয়ন্ত্ৰণৰ বাবেই কৰিব লগা হয়। শাক-পাচলিৰ প্ৰাৰম্ভিক অৱস্থাত শ্ৰীবৃদ্ধিৰ হাৰ যথেষ্ট কম আৰু প্ৰায়বোৰ শাক-পাচলিৰ শাৰীবিলাকৰ মাজৰ ব্যৱধান যথেষ্ট বেছি। এনে খেতিত বুজন পৰিমাণৰ ৰাসায়নিক সাৰ, জৈৱিক সাৰ তথা সঘনাই পানী যোগান ধৰিব লগা হয়। সেয়েহে অপতৃণৰ সমস্যাও শাক-পাচলিৰ খেতিত যথেষ্ট বেছি। প্ৰতিডৰা মাটিৰ পৰা যাতে আশানুৰূপ শস্যৰ উৎপাদন লাভ কৰিব পাৰি তাৰ বাবে শস্যৰ প্ৰাৰম্ভিক অৱস্থাৰে পৰা অপতৃণসমূহ সময়মতে নিয়ন্ত্ৰণ কৰাৰ বাবে ব্যৱস্থা ল'ব লাগে। শীতকালীন শস্যত সাধাৰণতে দেখা দিয়া অপতৃণ সমূহ হৈছে-জিলমিল, দুবৰি, কেঞ্ঞাবন, মূৰফুলা, বৰচা বন, গোন্ধোৱা বন, নিলাজিবন, দ্ৰোণ, গাহৰি ধন ইত্যাদি। শাক-পাচলিৰ বীজ সিঁচা বা পুলি ৰোৱাৰ পৰা ২৫-৩০ দিন পৰ্যন্ত শস্যডৰা যাতে অপতৃণ মুক্ত কৰি ৰাখিব পাৰি তাৰ বাবে ব্যৱস্থা লোৱাটো অতিকৈ প্ৰয়োজন।

শাক-পাচলিৰ খেতিত লাভান্বিতভাৱে অপতৃণৰ নিয়ন্ত্ৰণৰ বহুতো কলা-কৌশল বৰ্তমান উপলব্ধ হৈছে। এই খেতিত অপতৃণে যাতে সহজেই বিস্তাৰ লাভ কৰিব নোৱাৰে তাৰ বাবে কেতবোৰ প্ৰতিৰোধমূলক ব্যৱস্থা লোৱাটো প্ৰয়োজন। শাক-পাচলিৰ বীজতলীডৰা কেইবাবাৰো চহাই ইয়াত থকা অপতৃণৰ শিপা, ডাল, পাত, মুঢ়াসমূহ আঁতৰাই পেলাব লাগে। তাৰোপৰি তলীত হাল বোৱাৰ পূৰ্বেই পেৰাকোৱাট (গ্ৰাম'ক্সন) নামৰ ঔষধ প্ৰতিলিটাৰ পানীত ৫ মিঃলিঃ কৈ মিহলাই অপতৃণসমূহত স্প্ৰে' কৰি ধ্বংস কৰি ল'ব পাৰিলে পিছত শস্যডৰাত অপতৃণৰ আক্ৰমণ যথেষ্ট কম হয়। শাক-পাচলিৰ অনুমোদিত বীজ বা সচঁ প্ৰকৃত ব্যৱধানত সিঁচিব বা পুলিসমূহ প্ৰকৃত ব্যৱধানত ৰুব লাগে। সম্পূৰ্ণকৈ পচন হোৱা জৈৱিক সাৰ শস্যতলীত প্ৰয়োগ কৰিলে অপতৃণৰ প্ৰাদুৰ্ভাৱ যথেষ্ট কম হয়। শস্যতলীত ব্যৱহাৰ কৰা সা-সঁজুলিসমূহ যাতে পৰিষ্কাৰ হয় তাৰ বাবে লক্ষ্য ৰাখিব লাগে। প্ৰয়োগ কৰিব লগীয়া ৰাসায়নিক সাৰ ভাগ ছটিয়াই নিদি পুলিসমূহৰ গুৰিত এক নিৰ্দিষ্ট দূৰত্বত প্ৰয়োগ কৰিব পাৰিলে ভাল। শাক-পাচলি খেতিডৰাৰ চাৰিওকাষ পৰিষ্কাৰ কৰি ৰখাটো অতি প্ৰয়োজন। বৰ্তমান শ্ৰমিকৰ বৰ্দ্ধিত মজুৰিৰ বাবে হাতেৰে নিৰণি কৰাটো অতিকৈ ব্যয় বহুল হৈ পৰিছে। তদুপৰি প্ৰতিকূল বতৰত এনে পদ্ধতিৰে নিৰণি কৰাটো অতি কষ্টকৰ। বৰ্তমান বিভিন্ন শস্যত ব্যৱহাৰ কৰিব পৰা বহুতো অপতৃণ নিয়ন্ত্ৰণ কৰিবৰ বাবে সা-সজুলিৰ উদ্ভাৱন হৈছে। গ্ৰাবাৰ, চকাযুক্ত কোৰ, শলাযুক্ত কোৰ আদি ব্যৱহাৰৰ দ্বাৰা শাৰীবদ্ধ প্ৰণালীত কৰা শাক-পাচলিৰ খেতিত ফলপ্ৰসূভাৱে অপতৃণৰ নিয়ন্ত্ৰণ কৰিব পৰা যায়। সাধাৰণতে প্ৰায়বোৰ শস্যতে বীজ সিঁচা বা পুলি ৰোৱাৰ ১৫-২০ দিনত এবাৰ আৰু ৩০-৩৫ দিনত এবাৰ এনেবোৰ সঁজুলি ব্যৱহাৰ কৰিব লাগে। বৰ্তমান শস্যৰ বিভিন্ন অৱস্থাত অপতৃণ নিয়ন্ত্ৰণ কৰিব পৰা বহুতো ৰাসায়নিক বন নাশক ঔষধৰ উদ্ভাৱন হৈছে। ইয়াৰে কেতবোৰ ঔষধ অপতৃণ গজি উঠাৰ আগেয়ে আৰু কেতবোৰ ঔষধ অপতৃণ গজি উঠাৰ পিছত প্ৰয়োগ কৰিব লাগে। ঔষধ প্ৰয়োগৰ দ্বাৰা অপতৃণ নিয়ন্ত্ৰণ কৰাতো লাভজনক আৰু সময়মতে পথাৰত অপতৃণ নিয়ন্ত্ৰণ সম্ভৱ হয়। সঠিক হাৰত,সঠিক সময়ত আৰু সঠিক পদ্ধতিৰে এনেবোৰ ঔষধ প্ৰয়োগ কৰিলে লাভজনক ভাৱে অপতৃণ নিয়ন্ত্ৰণ কৰিব পাৰি আৰু পৰিবেশৰো কোনো ক্ষতি নহয়। সেয়েহে বৰ্তমান বিশ্বৰ বিভিন্ন উন্নত আৰু উন্নয়নশীল দেশসমূহত এই বননাশক ঔষধৰ ব্যৱহাৰ জনপ্ৰিয় হৈ পৰিছে।

পেনদিমিথালিন (বজাৰত ষ্টাম্প, টাটা পনিদা আদি নামত পোৱা যায়) নামৰ ঔষধ বিঘাই প্ৰতি ৪০০ গ্ৰাম বা ফ্ললুক্লৰেলিন (বেচেলিন) প্ৰতি বিঘাত ২৬০ গ্ৰাম বা বুটাক্লৰ মোচাটে, ধানক্লৰ ইত্যাদি) প্ৰতিবিঘাত ২৬০ গ্ৰাম, বা মেটালক্লৰ (ডুৱেল) নামৰ ঔষধ ২৬০ গ্ৰাম বা অক্সিৰ ফেন (গ'ল) নামৰ ঔষধ বিঘাই প্ৰতি ১৩০ গ্ৰামকৈ ৫০-৬০ লিটাৰ পানীত মিহলাই নেপচেক্ স্প্ৰেয়াৰৰ সহায়ত ফৰকাল বতৰত পুৱাৰ ভাগত বীজ সিচাঁৰ ২-৩ দিন আগেয়ে বা ২-৩ দিন পিছত স্প্ৰে কৰিব লাগে। মন কৰিবলগীয়া যে এনে ঔষধ প্ৰয়োগ কৰাৰ সময়ত যাতে মাটিত কিছু পৰিমাণৰ জীপ থাকে। বিলাহী আলু আদি খেতিত মেট্ৰিবিউজিন (চেনকৰ) নামৰ ঔষধ বিঘাই প্ৰতি ১০০ গ্ৰামকৈ ৫০ লিটাৰ পানীত মিহলাই বীজ সিচাঁৰ ৩-৪ দিন পিছত বা অপতৃণসমূহ ২-৩ পতীয়া হওঁতে স্প্ৰে' কৰিব লাগে। আলু, বেঙেনা, বিলাহী, জলকীয়া, কবি আদিৰ খেতিত অপতৃণ গজি উঠাৰ পিছত কুইজালফপ ইথাইল (টাৰগাচু পাৰ) নামৰ ঔষধ প্ৰতিলিটাৰ পানীত ৩-৪ মিঃলিঃ কৈ মিহলাই লৈ অপতৃণসমূহত স্প্ৰে' কৰিব লাগে। ইয়াৰ উপৰিও আন বহুতো অপতৃণনাশক ঔষধ আছে যিবোৰৰ সঠিক প্ৰয়োগে অপতৃণ নিয়ন্ত্ৰণ কৰাত সহায় কৰে। ঔষধৰ লগত অহা প্ৰয়োগ প্ৰণালী সমন্ধে লিখা পত্ৰিকাখন আমাৰ কৃষকসকলে পঢ়াতো বাঞ্ছনীয়। কেৱল এক বিশেষ পদ্ধতিৰ দ্বাৰা অপতৃণ নিয়ন্ত্ৰণ কৰাতকৈ একাধিক পদ্ধতিৰে সু-সংহত ব্যৱস্থাপনাৰ জৰিয়তে অপতৃণ নিয়ন্ত্ৰণ কৰাতো অতি প্ৰয়োজন।

ড° কাবেৰী মহন্ত

আবু ছালেহ নিজামউদ্দিন আহমেদ

(১ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

খোৰাঙত প্ৰদৰ্শনমূলক ..

উৎপাদন প্ৰতি হেক্টৰত ৯ কুইণ্টল যিটো অসমৰ গড় উৎপাদনতকৈ ২৭.৫ শতাংশ অধিক। গতিকে অসমৰ খেতিয়কে উন্নত পদ্ধতিৰে তিল খেতি কৰি তেওঁলোকৰ আয় বৃদ্ধি কৰিব পাৰে। কেন্দ্ৰটোৰ বিজ্ঞানী ড° সংঘমিত্ৰা শৰ্মাই কৃষকসকলক শাক-পাচলি খেতিত দেখা পোৱা অনিষ্টকাৰী পোক-পতংগ নিয়ন্ত্ৰণৰ বিধান প্ৰদান কৰে। অনুষ্ঠানৰ শেষত কেন্দ্ৰটোৰ ফালৰ পৰা কৃষকসকলক মচুৰ মাহৰ খেতি কৰি লাভৱান হ'বলৈ বিনামূলীয়াকৈ বীজ বিতৰণ কৰা হয়। অনুষ্ঠানত সমবেত কৃষক ৰাইজে কেন্দ্ৰটোৰ এনে আয় বৃদ্ধিৰ পদক্ষেপক ভূয়সী প্ৰশংসা কৰে।

বছৰেকীয়া বৰঙণি ঃ ১০.০০ টকা। **প্ৰতিখনৰ মূল্য ঃ** ১.০০ টকা। **প্ৰকাশৰ স্থান ঃ** অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ১৩। সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠকৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত। অসম কৃষি বিশ্ববিদ্যালয় অফছেট ছপাশাল, যোৰহাট - ১৩ ত মুদ্ৰিত। **মুখ্য সম্পাদক ঃ** ড° ৰণজিৎ কুমাৰ সাউদ